# পঞ্চম অধ্যায়

# Unit - 5

## ধৰ্ম, সমাজ আৰু সংস্কৃতি

## Religion, Society and Culture

**5.01 চুফী সকল আৰু চুফীবাদ ঃ ধৰ্মীয় মতবাদ আৰু ধৰ্মীয় অভ্যাস ; চিলচিলা ঃ চিস্তী আৰু চুহৰাৱাদী ; সামাজিক ভূমিকা (Sufis and Sufism : doctrines and practices ; sil silas : chitis and suhra wardis; social roles) ঃ**

চুফীবাদ মধ্যযুগৰ এক গুৰুত্বপূৰ্ণ ধৰ্মীয় সম্প্ৰদায় আছিল। চুফী সকল প্ৰকৃততে ইছলাম ধৰ্মী আছিল। ইছলামৰ প্ৰাৰম্ভিক শতাব্দী কেইটাতে ধৰ্মীয় তথা ৰাজনৈতিক সংস্থা খিলাফতৰ গোড়ামী আৰু জড়বাদৰ বিৰুদ্ধে ইছলামীধৰ্মী কিছুলোকৰ মনত বৈৰাগ্য আৰু ৰহস্যবাদী চিন্তাৰ জন্ম হয় যাৰ পৰিণাম স্বৰূপে ইছলামীক ৰহস্যবাদৰ সমৰ্থনত গোড়া ইছলাম ধৰ্মৰ বিৰুদ্ধে এক প্ৰতিবাদ আৰম্ভ হয়। ইয়াকে চুফীবাদৰ আন্দোলন আৰু উক্ত ধৰ্মীয় আন্দোলনৰ সমৰ্থক সকলক চুফী বুলি কোৱা হয়। গতিকে ইছলামীয় ৰহস্যবাদৰ অন্য এক নাম হ'ল চুফীবাদ।

Edward Sell - ৰ মতে চুফী শব্দটো খুব সম্ভৱ আৰবী শব্দ 'Suf' অৰ্থাৎ উণসূতাৰ পৰা অহা। প্ৰাচ্যৰ সন্ন্যাসী সকলে এই সূতাৰে তৈয়াৰী বস্ত্ৰ পৰিধান কৰিছিল, যি বস্ত্ৰ চুফীসকলে ব্যৱহাৰ কৰিছিল। কিছুমান পণ্ডিতৰ মতে 'চুফী' শব্দই 'চাফ' অৰ্থাৎ পৰিস্কাৰ বা পৱিত্ৰ অৰ্থ বুজায়। আন একাংশ পণ্ডিতৰ মতে মছজিদৰ বাহিৰত ধৰ্ম আলোচনা কৰা স্থান বা 'চোফা'ৰ পৰা চুফী শব্দৰ উৎপত্তি হৈছিল। ঐতিহাসিক সতীশ চন্দ্ৰৰ ভাষাত, 'Mystics who are called Sufis, had risen in Islam at a very

early stage. Most of them were persons of deep devotion who were disgusted by the Vulgar display of wealth and degeneration of morals following the establishment of the Islamic empire. Hence, these saints wanted to have nothing to do with the state a tradition which continued later on. Some of the early Sufis, such as the woman mystic Rabia (d. eighth century) and Mansur bin Hallaj (d. tenth century) laid great emphasis on love as the bound between God and the individual soul. But their pantheistic approach led them into conflict with the orthodox elements who had Mansur executed for heresy. Despite this set back mystic ideas continued to spread among the Muslim masses.' (*Medieval India*, p. 156).

চুফীবাদ সম্পৰ্কে পণ্ডিতসকলে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। ড০ তাৰা চান্দৰ মতে, চুফীবাদ এক জটিল পৰিঘটনা, যি এটি জুৰিৰ দৰে বিভিন্ন ঠাইৰ পৰা অহা সুঁতিবোৰ সামৰি লৈছে, যাৰ মূল হৈছে কোৰাণ আৰু হজৰত মহম্মদৰ জীৱন, ইয়াক বুদ্ধিপ্ৰাপ্ত কৰিছে খৃষ্টধৰ্ম, নিয়-প্লেটোনিজম, হিন্দু ধৰ্ম, বৌদ্ধ জেৰোষ্ট্ৰিয়ান আদি বিভিন্ন ধৰ্মীয় আদৰ্শই। F. Hadlane Davis ৰ মতে, 'Sufism is essentially a religion of love with a creed of dogma.' সেইদৰে K.D. Bhargave - এ কৈছে "Muslim mysticism of Sufism may be regarded as love of Supreme Beauty."

চুফীবাদৰ মূখ্য উৎস কোৰাণ আৰু হজৰত মহম্মদৰ জীৱনৰ আদৰ্শ যদিও সমসাময়িক বিভিন্ন ধৰ্মৰ মূল্যবান অৱদানো চুফীবাদৰ উত্থানত সন্নিৱিষ্ট হৈ আছে। প্ৰকৃততে যি সকল ইছলামীয় ভক্তই 'তৌবা' (অনুতাপ) আৰু 'তৱাক্কুল' (ভগৱান / আল্লাৰ ওপৰত আস্থা) এই দুই ধৰ্মীয় নীতিৰ ওপৰত অধিক গুৰুত্ব দিছিল তেওঁলোকৰ জীৱন সন্ন্যাস আৰু সংযমীয় জীৱনৰ ফালে ঢাল খায় আৰু তেওঁলোকে ব্ৰত - উপবাস আৰু সাধনা কৰিবলৈ আৰম্ভ কৰে আৰু তেওঁলোকেই অতি সোনকালে চুফীসন্ত আৰু প্ৰচাৰক ৰূপে আখ্যা পায়।

আৰম্ভণিতে চুফীবাদৰ বিকাশ হয় মেচ'পটেমিয়া, আৰব, ইৰাণ আৰু আফগানিস্তানত। যদিও ভাৰতত চুফীবাদে চতুৰ্দশ শতিকাৰ পৰাহে পূৰ্ণ বিকাশ লাভ কৰে তথাপি ভাৰতত তুৰ্কী শাসন প্ৰতিষ্ঠাৰ পূৰ্বেই ভাৰতত চুফীবাদ প্ৰবেশ কৰিছিল।

ভাৰতত চুফী আন্দোলনক প্ৰধানকৈ দুটা পৰ্যায়ত ভাগ কৰিব পাৰি। প্ৰথম পৰ্যায়ৰ সময় নৱম শতিকা আৰু দ্বিতীয় পৰ্যায়ৰ সময় নৱম শতিকাৰ পৰৱৰ্তী সময়ছোৱা। প্ৰথম পৰ্যায়ত চুফীবাদৰ কোনো প্ৰণালীবদ্ধ ব্যৱস্থা নাছিল কিন্তু দ্বিতীয় পৰ্যায়ত চুফীবাদে নিজৰ সংগঠন আৰু সন্ন্যাস জীৱনৰ শৃংখলা বদ্ধ পদ্ধতি তৈয়াৰ কৰে। চুফী দৰ্শন গঠনত বিভিন্ন চুফী সন্তৰ অৱদান আছে। প্ৰাৰম্ভিক কালৰ চুফী সন্ত সকলৰ ভিতৰত অন্যতম আছিল সন্ন্যাসীনী ৰাবিয়া। ৰাবিয়াৰ দৰ্শন ৰহস্যবাদতকৈ অধিক নৈতিকতা সম্বন্ধীয় আছিল। চুফী আন্দোলনক ব্ৰহ্মজ্ঞানৰ ভেটি প্ৰদান কৰে বাগদাদৰ আব্বাছিদ সকলে। কিন্তু চুফীবাদৰ ক্ৰমবিকাশত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল পাৰস্যৰ কায়াজিদ বুস্তামীয়ে। তেৱেঁই চুফীবাদত ঐশ্বৰিক আনন্দ প্ৰাপ্তিৰ উপাদান আৰু ভগৱান বা আল্লাৰ সৰ্বস্থানত নিহিত হৈ থকা ৰহস্যবাদী ধৰ্মীয় তত্ত্ব প্ৰদান কৰে। তেতিয়া পৰা 'ফনা' শব্দটো (অৰ্থাৎ ব্যক্তিগত স্বকীয়তা নিঃশেষ কৰা) পৰা দৰ্শনৰ ভেটি হৈ পৰে। উক্ত 'ফনা' শব্দটো পোন প্ৰথমে বুস্তামীয়েই ব্যৱহাৰ কৰিছিল।

চুফী ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে কুফাৰ সন্ত আবু কাছিমক প্ৰথম চুফী আখ্যা দিয়া হৈছিল। তেওঁৰ পৰৱৰ্তী অল হল্লাজে চুফীবাদৰ বিকাশত উল্লেখনীয় অৱদান যোগাইছিল। তেওঁ মানৱীয় আত্মাত দৈৱিক স্বৰূপ প্ৰদানৰ মাজেৰে ভগৱান / আল্লা আৰু ভক্তৰ মাজৰ সম্পৰ্ক অনুভৱ কৰিছিল। তেওঁৰ দ্বাৰাই 'ইনচান-ই-কামিল (প্ৰকৃত মানৱ) ধৰ্মীয় মতবাদৰ ভেটি তৈয়াৰ হৈছিল। আন এজন চুফী ফৰিছুদ্দিন আটাৰিয়ে ১১৪ খন চুফীবাদৰ গ্ৰন্থৰ লিখিছিল বুলি জনা যায়। আটাৰিৰ দ্বাৰা মুছলীম সন্ত সকলৰ জীৱনী আৰু বাণী সংকলিত গ্ৰন্থ 'তধকিৰাত-অল-অউলীয়া' খন চুফীবাদৰ প্ৰধান উৎস বুলি আখ্যা দিয়া হয়। সেইদৰে জালালুদ্দিন ৰুমী নামৰ আন এজন চুফী সন্ন্যাসীয়ে চুফীবাদত দৰবেশ শৃংখলা অন্তৰ্ভুক্ত কৰে। ৰুমীৰ ধৰ্মীয় তত্ত্ব প্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে, ভক্ত আৰু ভগৱানৰ মাজৰ সম্বন্ধ প্ৰেম সৰ্বস্ব যাক 'আশিক' (Lover) আৰু মাচুক (Beloved) হিচাবে গণ্য কৰিব পাৰি। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ মাচুক অৰ্থাৎ ভগৱান / আল্লা কোনো মন্দিৰ বা মছজিদত বাস নকৰে, বৰঞ্চ প্ৰেমিক ভক্তৰ হৃদয়তহে বাস কৰে। ৰুমী ভাৰতৰ ভক্তিবাদ আৰু লোক-সংস্কৃতিৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত আছিল। তেওঁ ৰচনা কৰি থৈ যোৱা 'মচনবী'ত আধ্যাত্মিক জ্ঞানৰ ভঁৰাল এৰি থৈ গৈছে। এই গ্ৰন্থখন চুফীবাদৰ এখন অন্যতম প্ৰধান গ্ৰন্থ বুলি গণ্য কৰা হয়।

চুফীবাদক প্ৰকৃতাৰ্থত এক ৰহস্যবাদী ভেটি প্ৰদান কৰিছিল দাৰ্শনিক পণ্ডিত গজালীয়ে। গজালীয়ে ইছলাম ধৰ্মৰ বাহ্যিক ধৰ্মীয় ক্ৰিয়া কৰ্মৰ গোড়ামীৰ পৰিৱৰ্তে

অন্তঃ শুদ্ধিৰ দ্বাৰা কিদৰে ঐশ্বৰিক শক্তিৰ উপলব্ধি কৰি মুক্তি লাভ কৰিব পাৰি তাৰ মাৰ্গ প্ৰদৰ্শন কৰিছিল। চুফীবাদৰ মতাদৰ্শক আগবঢ়াই নিয়াত দাৰ্শনিক শ্বেইখ চাহাবুদ্দিন চুহৰাবাৰ্দী আৰু ইবন-অল-আৰবীৰ যথেষ্ট অৱদান আছে। কিন্তু এই দুইজন দাৰ্শনিক দুটা পৃথক ৰহস্যবাদী আদৰ্শ গোটৰ পৰা আহিছিল। চুহৰবাৰ্দীয়ে 'নুৰ' অৰ্থাৎ জ্যোতিক চূড়ান্ত সত্য বুলি গণ্য কৰিছিল। আনহাতে অল-আৰবীয়ে বিশ্বাস, ভক্তি আৰু সাধনাত অধিক গুৰুত্ব দিছিল। আন এজন শক্তিশালী চুফী আব্দুল-কৰিম-অল জিলিয়ে 'ইনচান-ই-কামিল' ধৰ্ম দৰ্শনৰ ওপৰত এক দীঘলীয়া ৰচনা সৃষ্টি কৰি থৈ গৈছে। তেওঁৰ মতে এজন চুফী ভক্তই ভগৱানৰ অংশ হ'বগৈ পাৰে যাৰ বাবে চাৰিটা আধ্যাত্মিক অনুশীলনৰ আৱশ্যক, যেনে - (ক) ভগৱানৰ ইচ্ছাৰ ওপৰত সম্পূৰ্ণ নিজক সমৰ্পণ কৰা (খ) নিজৰ ব্যক্তি স্বকীয়তা নাশ কৰা (গ) অলৌকিক আৰু দৈৱিক গুণ আহৰণ কৰা (ঘ) শেষত নিজৰ মাজত দেৱত্ব প্ৰাপ্তিৰ অনুভৱ কৰি ইনচান-ই-কামিল (Perfect Godness) পৰ্যায় লাভ কৰা। অল-জিলি হিন্দু বৈদান্ত দৰ্শনৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত আছিল। এনেদৰে চুফী দাৰ্শনিক সকলৰ মতবাদেৰে চুফীবাদৰ ধৰ্মীয় মতবাদক এক শক্তিশালী ৰূপ দিয়ে। মনকৰিবলগীয়া যে গোড়া মুছলিম নেতৃত্বই (চিয়া আৰু চুন্নী দুয়োটা ফৈদৰ) চুফীবাদৰ মতবাদৰ এই ৰহস্যময় ৰোমাঞ্চকৰ স্থিতিৰ বাবেই বিৰোধিতা কৰিছিল। কেৱল চুফী দাৰ্শনিক গজালীৰ শক্তিশালী ব্যক্তিত্ব আৰু বৌদ্ধিক প্ৰতিভাৰ বাবেহে ইছলামৰ মাজত চুফীবাদক স্থান দিয়া হয়। গোড়া মুছলীম উলেমা সকলৰ ধৰ্মীয় মতবাদ আৰু ইছলাম ধৰ্মীয় মতবাদৰ মাজত মধ্যস্থতাকাৰী হিচাবে চুফীবাদক আদৰি লোৱা হৈছিল।

চুফীবাদক চমুকৈ তিনিটা ধৰ্মীয় আচাৰ নীতিৰ মাজেৰে ব্যাখ্যা কৰিব পাৰি — (ক) ইছলাম (খ) ইমান (গ) ইহচান। ইছলাম মানে আল্লাৰ ইচ্ছাৰ ওচৰত আত্ম সমৰ্পণ, ইমান হ'ল ইছলামৰ শিক্ষাৰ ওপৰত দৃঢ়বিশ্বাস ৰখা আৰু ইহচান অৰ্থাৎ আল্লাক দেখা নাপালেও তেওঁক শ্ৰদ্ধাভক্তি কৰা আৰু আল্লাৰ অস্তিত্ব অনুভৱ কৰা। অৰ্থাৎ এজন ভক্তক প্ৰাৰম্ভিক পৰ্যায়ৰ ইছলামৰ পৰা চূড়ান্ত পৰ্যায় ইহচানলৈ কৰা আধ্যাত্মিক প্ৰগতিকে চুফীবাদ বোলা হয়।

চুফীসকলক বহলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি — (ক) 'বা-ছৰা' বা 'ব-ছাৰা' অৰ্থাৎ যি সকলে ইছলামীয় আইন-কানুন বা ছৰিয়ত মানি চলে আৰু (খ) 'বে-ছৰা' অৰ্থাৎ যি সকলে ছৰিয়ত মানি চলাটো বাধ্যতামূলক বুলি গণ্য নকৰে।

ভাৰতবৰ্ষত মধ্যযুগত বিশেষকৈ খৃষ্টীয় ১২০০ ৰ পৰা খৃষ্টীয় ১৫০০ ৰ ভিতৰত

চুফীবাদ বিয়পি পৰিছিল। উল্লেখ্য যে 'বা-ছৰা' বা 'ব-ছাৰা' বা ছৰিয়তক মান্যতা দিয়া চুফীসকলৰ কেইবাটাও চিল্‌চিলা বা সম্প্ৰদায় আছিল। উক্ত চিলচিলা বা সম্প্ৰদায় সমূহৰ ভিতৰত খৃষ্টীয় ত্ৰয়োদশ আৰু চৰ্তুদশ শতিকাত ভাৰতত বিশেষকৈ উত্তৰ ভাৰতত চিস্তী আৰু চুহৰবাৰ্দী চিল্‌চিলা বিশেষভাৱে প্ৰভাৱশালী হৈ উঠিছিল। চিস্তী সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক আছিল খোৱাজা আব্দুল চিস্তী। ভাৰতবৰ্ষত এই চিল্‌চিলাৰ প্ৰতিষ্ঠাপক আছিল খোৱাজা মইনুদ্দিন চিস্তী। তৰাইনৰ প্ৰথম যুদ্ধৰ পিছতেই ১১৯২ খৃঃত মইনুদ্দিন চিস্তী ভাৰতলৈ আহিছিল। তেওঁ কিছুদিন লাহোৰ আৰু দিল্লীত থকাৰ পিছত শেষত আজমীৰত স্থায়ীভাৱে থাকিবলৈ লয়। ১২৩৫ খৃঃত আজমীৰতে তেওঁৰ মৃত্যু হয়। তেওঁৰ কাৰ্যকলাপ সম্পৰ্কে কোনো প্ৰামাণিক তথ্য নাই যদিও তেওঁৰ খ্যাতি চৌদিশে বিয়পি পৰিছিল। আজমীৰত অৱস্থিত তেওঁৰ দৰগাহ ইছলাম ধৰ্মী সকলৰ বাবে এক অতি পৱিত্ৰ স্থান। মইনুদ্দিন চিস্তীৰ শিষ্য প্ৰশিষ্য সকলৰ ভিতৰত বখ্‌তিয়াৰ কাকী আৰু ফৰিদউদ্দিন গঞ্জ-ই-ছকন উল্লেখযোগ্য আছিল। ফৰিদউদ্দিন উত্তৰ ভাৰতত প্ৰধানকৈ দিল্লী, পঞ্জাৱ, হাৰিয়ানা আদি ঠাইসমূহত ইমানেই জনপ্ৰিয় আছিল যে তেওঁৰ দ্বাৰা ৰচিত কোনো কোনো গাথা শিখ ধৰ্মগ্ৰন্থ 'গ্ৰন্থ চাহিব' তো উল্লেখিত হৈছে। অৱশ্যে ভাৰতত সৰ্বাধিক খ্যাতি অৰ্জন কৰা চুফী সন্ন্যাসী আছিল নিজামুদ্দিন আউলিয়া আৰু নাছিৰুদ্দিন চিৰাগ-ই-দিল্লী। এওঁলোকৰ চুলতানৰ পৰা আৰম্ভ কৰি সাধাৰণ প্ৰজালৈকে অৰ্থাৎ উচ্চ-নীচ সকলোৰে লগত সংযোগ আছিল আৰু সকলোৰে লগত অবাধে মিলা-মিছা কৰিছিল। তেওঁলোকে সাধাৰণ জনতাৰ ভাষা হিন্দু বা হিন্দাৱীতে জনসাধাৰণৰ মাজত ধৰ্মীয় নীতি সাৰ বিলাক ব্যাখ্যা কৰিছিল। উল্লেখ্য যে হিন্দু সকলৰ দৰে তেওঁলোকে নীতি শিক্ষাবোৰ সংগীতৰ সুৰত আবৃত্তি কৰি ফুৰা বাবে বহুতো হিন্দুলোকো তেওঁলোকৰ প্ৰতি আকৰ্ষিত হৈছিল। জনা যায় যে নিজামুদ্দিন আউলিয়াই শ্বাস-প্ৰশ্বাস আদি শৰীৰ চৰ্চা কাৰ্যত যৌগিক ব্যায়াম কৰি হিন্দুৰ মাজত 'সিদ্ধ পুৰুষ' হিচাপে জনাজাত হৈ পৰিছিল।

চিস্তী সকলৰ প্ৰায় সমসাময়িক ভাৱে চুহৰাবাৰ্দী চিলচিলা বা সম্প্ৰদায়ৰ চুফী সকলো ভাৰতবৰ্ষতক প্ৰৱেশ কৰিছিল। এই সম্প্ৰদায়ৰ লোকসকলে কঠোৰ সংযম আৰু দৰিদ্ৰ জীৱন যাত্ৰাত বিশ্বাস নকৰিছিল। তেওঁলোকৰ কোনো কোনোৱে চৰকাৰী পদৱী গ্ৰহণ কৰিছিল।

চিস্তী আৰু চুহৰাবাৰ্দী চিলচিলাৰ মূল পাৰ্থক্য আছিল চিস্তীসকলে কঠোৰ সংযম আৰু দৰিদ্ৰ তথা সাধাৰণ জীৱন যাপনক গুৰুত্ব দিয়াৰ বিপৰীতে চুহৰাবাৰ্দী সকল

ইয়াৰ বিপৰীত আছিল। তদুপৰি চিস্তীসকল ৰাজনীতিৰ পৰা দূৰত থকা উপৰিও অভিজাত গোষ্ঠীৰ সংগ ত্যাগ কৰাৰ বিপৰীতে চুহৰাবাৰ্দী সকলে চৰকাৰী পদৱী গ্ৰহণ কৰিছিল।

অৱশ্যে ধৰ্মীয় আদৰ্শ আৰু ৰীতি-নীতিৰ পাৰ্থক্য থাকিলেও চুফীবাদৰ কিছুমান মৌলিক ধৰ্মীয় আদৰ্শ সকলোবোৰ চিলচিলা বা সম্প্ৰদায়ে অনুসৰণ কৰে। এই মৌলিক ধৰ্মীয় আদৰ্শ বা আচৰণসমূহ এনে ধৰণৰ —

(১) চুফীবাদে ঐশ্বৰিক পৰম শক্তিৰ (হকীকত) লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপনৰ বাবে চুফীমাৰ্গ বা 'টৰীকা' অৱলম্বনত গুৰুত্ব দিয়ে।

(২) চুফী সকলৰ বিশ্বাস অনুসৰি আল্লাৰ অস্তিত্ব অনুভৱ কৰিবলৈ এজন ভক্তই নিজৰ মানসিক স্থিতি (হাল) পৰ্যায় ক্ৰমে কেইবাটাও স্থানত (মকামত) পৰিৱৰ্তন কৰিব লাগিব।

(৩) এই চুফীপথ কেৱল এজন আধ্যাত্মিক গুৰুৱে (যাক মুৰাশ্বিদ শ্বেইখ বা পীৰ বোলা হয়) পাৰ হৈ আহিছে আৰু আল্লাৰ লগত সংযোজিত হৈছে। তেনে ব্যক্তিৰ সহায় অবিহনে চুফীপথ অতিক্ৰম কৰিব পৰা নাযায়।

(৪) এই পীৰ বা মুৰাশ্বিদৰ অধীনত শিষ্যজনে উপৰুক্ত 'মকামত' আৰু 'হাল' সফলতাৰে অতিক্ৰম কৰিবলৈ কিছুমান আধ্যাত্মিক ক্ৰিয়া-কৰ্ম, যেনে — আত্ম সংযম, ভগৱানৰ নাম স্মৰণ বা 'জিক্ৰ' আৰু কিচছ সাধনাত মগ্ন হ'ব লাগিছিল।

(৫) চুফী সকলে আবেগপূৰ্ণ আধ্যাত্মিক সংগীত (যাক 'চামা' বুলি কোৱা হয়) অনুস্থিত কৰি দৈৱিক পৰমানন্দত বিলীন হ'বলৈ প্ৰয়াস কৰিছিল।

(৬) চুফীবাদৰ আন এক ধৰ্মীয় ব্যৱস্থা হ'ল চুফীসকলৰ একোজন নেতৃস্থানীয় গুৰুৰ অধীনত সংঘবদ্ধ কৰি চিলচিলা সৃষ্টি কৰা। প্ৰতিটো চিলচিলাৰ চুফী সন্তজনৰ শিষ্য সকলক নিৰ্দিষ্ট চিলচিলাত অন্তৰ্ভুক্ত কৰিব লাগিব।

(৭) এই চুফী শাখা বা চিলচিলা সমূহৰ আৱাসিক স্থান সমূহক 'খান কাহ' হিচাবে গঢ়ি তোলা হৈছিল য'ত পীৰজনে শিষ্যসকলক আধ্যাত্মিক জ্ঞান আৰু অনুশীলন কৰাইছিল। এনে খান কাহ সমূহৰ জনপ্ৰিয়তা আৰু শিষ্যক আকৰ্ষণ কৰিব পৰা দক্ষতা পীৰজনৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ ওপৰত নিৰ্ভৰশীল আছিল। খান কাহ সমূহ দান-বৰঙণিৰে পৰিচালনা কৰা হৈছিল।

(৮) চিলচিলা সমূহত দীক্ষাৰ ব্যৱস্থা আছিল য'ত চুলি খুৰাই, ফটা বস্ত্ৰ পৰিধান

করি নিষ্ঠা আৰু ভক্তি বৈৰাগ্যৰ শপত লৈ দীক্ষা গ্ৰহণ কৰিব লাগিছিল।

(৯) পীৰজনৰ মৃত্যুৰ পিছত তেওঁৰ আত্মা আল্লাৰ লগত বিলীন হৈ যায়। সেয়েহে জীৱিত কালতকৈ মৃত্যুৰ পিছতহে পীৰজন আল্লাৰ অধিক ওচৰ চাপে। এই বিশ্বাসে পীৰজনৰ দৰগাহৰ প্ৰতি আধ্যাত্মিক ভক্তি ভাব বৃদ্ধি কৰে আৰু দৰগাহ সমূহলৈ তীৰ্থযাত্ৰা কৰা এই ধৰ্মীয় আচাৰ হৈ পৰে।

গতিকে দেখা যায় যে চুফীসকল প্ৰকৃততে ইছলামধৰ্মীয়েই আছিল। ইছলাম ধৰ্মৰ প্ৰচলিত সকলো ব্যাখ্যাকে নিৰ্ভুল বুলি মানি নলৈ ইছলাম ধৰ্মৰ সাৰমৰ্ম খিনি যুক্তি সহকাৰে উপলব্ধি কৰি অনুকৰণ কৰাৰ চেষ্টা চুফী সকলে কৰিছিল। চুফী সকলে সদায় অতীন্দ্ৰিয়বাদ বা ৰহস্যবাদ আৰু কোৰানৰ ভাবগত ব্যাখ্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকে কোৰান আৰু হজৰত মহম্মদক মান্যতা দিয়াৰ সমান্তৰালভাৱে ত্যাগ, বৈৰাগ্য, সন্ন্যাস আৰু গুৰুৰ প্ৰতিও শ্ৰদ্ধা দেখুৱাইছিল।

**চিলচিলা ঃ চিস্তী আৰু চুহৰাবাৰ্দী ঃ**

পূৰ্বে উল্লেখ কৰি আহিছো যে চুফী সকলৰ কেইবাটাও চিলচিলা বা সম্প্ৰদায় আছিল। উক্ত চিলচিলা সমূহৰ ভিতৰত ভাৰতত খোপনি পুতিবলৈ সক্ষম হোৱা চিলচিলা দুটা আছিল চিস্তী আৰু চুহৰাবাৰ্দী।

**চিস্তী চিলচিলা ঃ**

চিস্তী চিলচিলা প্ৰতিষ্ঠা লাভ কৰা ভাৰতবৰ্ষৰ অঞ্চল সমূহ হ'ল আজমীৰ, ৰাজস্থান, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ, বঙ্গ, উৰিষ্যা আৰু দাক্ষিণাত্যৰ কিছুমান ঠাই। চিস্তী চিলচিলাৰ চুফী সকলে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ স্থানীয় আচাৰ-ব্যৱহাৰ আৰু ৰীতি নীতিৰ লগত নিজকে খাপ খুৱাই ল'ব পাৰিছিল বাবে চিস্তী চিলচিলা ভাৰতত অধিক জনপ্ৰিয়তা হৈ উঠিছিল। ভাৰতত চিস্তী চিলচিলাৰ প্ৰতিস্থাপক আছিল খোৱাজা মইনুদ্দিন চিস্তী। পাৰস্যত জন্ম গ্ৰহণ কৰা মইনুদ্দিন চিস্তীয়ে কম বয়সতে পিতৃহীন হৈ ৰাজ্যৰ অস্থিৰ পৰিস্থিতিৰ ফলত সা-সম্পত্তি হেৰুৱাই বৈৰাগী জীৱন আৰম্ভ কৰিছিল। বহুতো ইছলামীয় জ্ঞান চৰ্চাৰ কেন্দ্ৰ, যেনে - সমৰ খণ্ড, বোখাৰা আদি ভ্ৰমণ কৰি জীৱনৰ ভৰ বয়সত ১১৯২ খৃঃত তেওঁ ভাৰতলৈ আহে আৰু কিছুদিন লাহোৰ আৰু দিল্লীত বসতি স্থাপন কৰি পৰৱৰ্তী কালত আজমীৰলৈ আহি চুফীবাদৰ কেন্দ্ৰ গঢ়ি তোলে। মইনুদ্দিন চিস্তীয়ে

সমাজৰ নিম্ন শ্ৰেণীৰ মানুহৰ মাজত কাম কৰিছিল আৰু দুখীয়া, অসহায় লোকৰ সেৱাত নিজৰ জীৱন উছৰ্গা কৰিছিল। তেওঁৰ মতে, ঈশ্বৰ ভক্তিৰ সবাতোকৈ উৎকৃষ্ট আৰ্হি হ'ল মানৱ সেৱা। ভগৱান আৰু জনসাধাৰণৰ প্ৰতি তেওঁৰ আচৰণে ভাৰতত তেওঁৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল। মৃত্যুৰ পিছত তেওঁৰ কৰ্মস্থান আজমীৰতে তেওঁক সমাধিস্থ কৰা হয়। আজমীৰত অৱস্থিত মইনুদ্দিন চিস্তীৰ দৰগাহ কেৱল মুছলমান সকলৰে নহয় বৰঞ্চ অন্যান্য ধৰ্মৰ লোক সকলৰ বাবেও এক আকৰ্ষণীয় তীৰ্থস্থান।

মইনুদ্দিন চিস্তীৰ উত্তৰাধিকাৰী খাৱাজা কুতুবুদ্দিন বখ্‌তিয়াৰ কাকীও এজন আধ্যাত্মিক শক্তিৰ অধিকাৰী আছিল। কুতুবুদ্দিন কাকীৰ স্মৃতিতে দাস বংশৰ প্ৰথমজন চুলতান কুতুবুদ্দিন আইবাকে দিল্লীত বিখ্যাত কুতুব মিনাৰ নিৰ্মাণ কৰিছিল।

কুতুবুদ্দিন বখ্‌তিয়াৰ কাকীৰ উত্তৰাধিকাৰী আছিল ফৰিদ উদ্দিন মাচুদ বা ফৰিদ উদ্দিন গঞ্জ-ই ছকৰ। ফৰিদ আফগানিস্তানৰ এক ৰাজ পৰিয়ালৰ সন্তান আছিল। চুফীবাদৰ সংস্পৰ্শলৈ আহি তেওঁ পাৰ্থিৱ সকলো সা-সম্পত্তি ত্যাগ কৰি ফকীৰৰ জীৱন আৰম্ভ কৰে। তেওঁ কুতুবুদ্দিন বখ্‌তিয়াৰ কাকীৰ শিষ্যত্ব গ্ৰহণ কৰি পঞ্জাৱত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। কিছু অলৌকিক শক্তিৰ অধিকাৰী আছিল বুলি গণ্য কৰি তেওঁক 'বাবা ফৰিদ' বা 'বাবা ফৰিদ ছকৰ গঞ্জ' নামেৰেও তেওঁৰ অনুগামী সকলৰ মাজত জনাজাত আছিল।

বাবা ফৰিদৰ প্ৰধান শিষ্য আছিল শ্বেইখ নিজামুদ্দিন আউলীয়া। আউলীয়াৰ জন্ম হৈছিল ১২৩৬ খৃঃত বদাউনত। ৫ বছৰ বয়সতে পিতৃহীনা হোৱা নিজামুদ্দিন আউলীয়া ২০ বছৰ বয়সত বাবা ফৰিদৰ শিষ্য হয়। ১২৫৮ খৃঃত আউলীয়া দিল্লীলৈ আহে আৰু প্ৰায় ৬০ বছৰ কাল আধ্যাত্মিক চিন্তা চৰ্চা মানুহৰ মাজত প্ৰচাৰ কৰে। তেওঁ দিল্লীৰ সমীপৱৰ্তী ঘিছাপুৰ নামৰ এখন গাঁৱত বাস কৰি ধৰ্মীয় বাণী বিলাইছিল। দিল্লীৰ সৰ্বমুঠ সাতজন চুলতানৰ ৰাজত্বৰ সাক্ষী আছিল আউলীয়া। কিন্তু তেওঁ কোনো এজন চুলতানৰ দৰবাৰত প্ৰৱেশ কৰা নাছিল। সাহিত্য সঙ্গীতৰ প্ৰতি আউলীয়াৰ যথেষ্ট ৰাপ আছিল। গোড়া ইছলামধৰ্মী উলেমা সকলে আউলীয়াক ভাল নাপাইছিল আৰু তেওঁক নিন্দাহে কৰিছিল। কিন্তু আউলিয়াই উলেমা সকলক গুৰুত্ব নিদি জন সাধাৰণৰ মাজত আল্লাৰ বাণী প্ৰচাৰ কৰিছিল। আউলীয়াৰ মতে, ঈশ্বৰক উপলব্ধি কৰিবলৈ মানৱ প্ৰেমেই উৎকৃষ্ট পথ। অধ্যাপক ইউচুফ হুছেইনৰ মতে, শ্বেইখ নিজামুদ্দিন আউলীয়া যাক মেহবুব-ই-ইলাহী (Beloved of God) বুলি জনা যায়, ভাৰতৰ মুছলিম ইতিহাসত এক শক্তিশালী আধ্যাত্মিক অস্তিত্বক প্ৰতিনিধিত্ব কৰিছিল। তেওঁৰ